পাঠ ৭

X4S5K6

ন্দ, ঞ্জ

# সবৰমতী আশ্ৰমত গান্ধীজী



## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

**দলত ভাগ হৈ পাঠৰ ছবিকেইখনত কি কি দেখিছা আলোচনা কৰা।**

**উত্তৰ দিয়া।**

(১) (ক) গান্ধীজীয়ে ঘোঁৰা-গাড়ীখন কেই বজাত আনিবলৈ কৈছিল?

(খ) সময়মতে কোন আহি নাপালেহি?

(গ) "সময়ৰ কাম সময়ত হোৱাটো মই বাঞ্ছা কৰোঁ"— কথাষাৰ কোনে কৈছিল?

(২) (ক) চাইকেল চলাই হ'লেও গান্ধীজীয়ে সভাত কিয় উপস্থিত হৈছিলগৈ?

(খ) 'মোক ক্ষমা কৰক' বুলি কচোৱানজনে কাক আৰু কিয় কৈছিল?

(গ) গান্ধীজীয়ে কচোৱানজনক 'মহৎ কাম কৰিলা' বুলি কিয় কৈছিল?

**- কাৰ (স্বৰ) চিন নথকা শব্দৰ কাষৰ বাকচত ৰঙা ৰং আৰু - কাৰ (স্বৰ) চিন থকাবোৰত ক'লা ৰং দিয়া।**

| | | | | |
|---|---|---|---|---|
| পলম ☐ | মহৎ ☐ | মহান ☐ | গান্ধী ☐ | সময়ত ☐ |
| কাম ☐ | হ'ল ☐ | মই ☐ | সহায় ☐ | এখন ☐ |

**পাঠৰ আধাৰত তলৰ বাক্যবোৰ ক্ৰমত সজাই লিখা।**

— গান্ধীজী চাইকেল চলাই সভালৈ গ'ল।

— গান্ধীজীক এখন গাঁৱৰ সভালৈ নিমন্ত্ৰণ কৰিছিল।

— কচোৱানে পাছত আহি ক'লে — 'মই ৰোগী এজনক হাস্পতালত থৈ অহাৰ বাবে পলম হ'ল।'

— গান্ধীজীয়ে সভালৈ যাবৰ বাবে এখন ঘোঁৰা-গাড়ী বন্দৱস্ত কৰিলে।

— কচোৱানজন সময়মতে নাহিল।

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*



শুদ্ধ বানানটোত ঘূৰণীয়া চিন দিয়া। কাষৰ খালী ঠাইত শব্দটো পুনৰ লিখা।

| | |
|---|---|
| শবৰমতী/সৱৰমতি/সবৰমতী | ................................... |
| গান্ধীজি/গান্ধীজী/গান্ধিজী | ................................... |
| হাস্পতাল/হাস্পাতাল/হাস্পাটাল | ................................... |



শুদ্ধ শব্দটোত ঘূৰণীয়া চিন দিওঁ আহা

| | | |
|---|---|---|
| ৰোগীক চিকিৎসা কৰা ঠাই | — | হাস্পতাল/থানা |
| ঘোঁৰা-গাড়ী চলোৱা মানুহ | — | গাৰোৱান/কচোৱান |
| ঋষি-মুনি বাস কৰা ঠাই | — | বিদ্যালয়/আশ্ৰম |
| সভাত উপস্থিত থকা লোক | — | সভাসদ/সমাজকৰ্মী |
| সভাত বক্তৃতা দিয়া লোক | — | গায়ক /বক্তা |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)





যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

উদ্দেশ্য দ্দ — দ + দ দই দই দ্দ

বাঞ্ছা ঞ্ছ — ঞ + ছ ঞই ছই ঞ্ছ



যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | |
|---|---|---|
| দ + দ | দই দই | দ্দ |
| ঞ + ছ | ঞই ছই | ঞ্ছ |

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

যুক্তাক্ষৰৰ সহায়ত শব্দ লিখা।

দ্দ — উদ্দাম   খ____ৰ

ঞ্ছ — বাঞ্ছিত   লা____না



দলত আলোচনা কৰি বাক্য লিখা।

উদাহৰণ স + ক — স্ক — ভাস্কৰ — সূৰ্যৰ আন এটা নাম ভাস্কৰ।
— অস্কাৰ — অস্কাৰ এবিধ বঁটা।

ন + দ — ____ — ____ — ..............................................
— মন্দিৰ — মন্দিৰত..............................................

ন + ধ — ____ — ____ — ..............................................
— ____ — ..............................................

বেটৰ ভিতৰত থকা যুক্তাক্ষৰবোৰ উপযুক্ত ঠাইত লিখা।

দ+দ = দ্দ

ন+ধ = —

ঞ+ছ = —

ঞ+চ = —




ফুলৰ পৰা শব্দ আনি বাক্যকেইটা সম্পূৰ্ণ কৰা আৰু পঢ়া।

________ কল খায়।

________ মানে দাঁত।

ৰোগী চিকিৎসা কৰা ঠাইক ________ বোলে।




☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

## জানি লোৱা

| ‘ক’- অংশ | ‘খ’- অংশ |
|---|---|
| মই | আমি |
| তুমি | তোমালোক |
| তেওঁ | তেওঁলোক |
| সি | সিহঁত |
| তাই | তাহাঁত/সিহঁত |





‘ক’-অংশৰ শব্দবোৰে এজনক বুজাইছে।

‘খ’-অংশৰ শব্দবোৰে বহুতক বুজাইছে।

**এজন বা এটাক বুজালে একবচন আৰু দুজন বা তাতকৈ অধিকক বুজালে বহুবচন।**

### বহুবচন বুজোৱা শব্দ ব্যৱহাৰ কৰি খালী ঠাই পূৰ কৰোঁ আহা



উদাহৰণ— মই সভালৈ যাম।

আমি সভালৈ যাম।

(ক) তুমি ঘোঁৰা-গাড়ী এখন যোগাৰ কৰিবা।

...................... ঘোঁৰা-গাড়ী এখন যোগাৰ কৰিবা।

(খ) সি সময়মতে নাহিল।

...................... সময়মতে নাহিল।

(গ) তেওঁ সদায় সময়মতে কাম-কাজ কৰে।

...................... সদায় সময়মতে কাম-কাজ কৰে।

☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

বেজিৰ ভিতৰত থকা বিপৰীত অৰ্থ বুজোৱা শব্দৰে খালী ঠাই পূৰ কৰা।

| | |
|---|---|
| সুখী | ........................... |
| অসুবিধা | ........................... |
| সন্মান | ........................... |
| ৰোগী | ........................... |




## গ — জ্ঞান সম্প্ৰসাৰণ

তুমি বিদ্যালয়লৈ যাওঁতে তোমাৰ লগৰীয়া এজনে উজুটি খাই দুখ পালে তুমি কি কৰিবা?

সময়ৰ কাম সময়ত নকৰিলে কি হয় লিখা।

| | | |
|---|---|---|
| সময়ত আহাৰ নাখালে | — | ........................................ |
| সময়ত ঔষধ নাখালে | — | ........................................ |
| সময়ত নিজৰ কাম নকৰিলে | — | ........................................ |
| সময়ত ৰে'লষ্টেচনত উপস্থিত নহ'লে | — | ........................................ |

পঢ়োঁ আহা

উদ্দেশ্য মানে লক্ষ্য। লাঞ্ছিত শব্দৰ অৰ্থ লাজ পোৱা। বাঞ্ছা মানে ইচ্ছা। হাতেৰে কপাহৰ সূতা কাটি হাতে বোৱা কাপোৰক খদ্দৰ বোলে।



বিদ্যালয়ত তুমি কি কি নিয়ম মানি চলা লিখা।

নিজৰ মতে খালী ঠাই পূৰ কৰা।

মই......... বজাত ঘৰৰ পৰা বিদ্যালয়লৈ যাবৰ বাবে সাজু হওঁ। বিদ্যালয়ত .........বজাত প্ৰাতঃসভা আৰু ........ বজাৰ লগে লগে শ্ৰেণী আৰম্ভ হয়। ........ বজাত মধ্যাহ্ন ভোজন কৰাৰ পিছত পুনৰ ........ বজাত শ্ৰেণীত সোমাওঁ। .....বজাত আমাৰ বিদ্যালয় ছুটী হয়।

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*



**পদ্যটো পঢ়া আৰু শিক্ষকৰ সহায়ত মূল কথাখিনি বুজি লোৱা।**

## যেতিয়াৰ যিটো বন

যেতিয়াৰ যিটো বন কৰা তেতিয়াই
পাছলৈ নথবা পেলাই,
কৰিম কৰিম বুলি গহৰি কৰিলে
কৰিব কি পাৰে কোনোবাই?
আজি যি সুবিধা আছে কালি যাব পাৰে
কোনে জানে কি আপদ মিলে,
সময়ত নকৰিলে কাম পৰে পিছ
কেতিয়াবা নহয় সমূলে।
পল দণ্ড কৰি কাল বইছে নৰই
জীৱনৰ দিন যায় টুটি,
যেতিয়াৰ যিটো বন ধৰা ততালিকে
এলাহত নুখুজিবা ছুটী।
সময়ৰ লগে লগে কাম কৰি যোৱা
সকলোকে ঢিলা তুমি পাবা,
এলাহত নুবুলিবা নকৰো এতিয়া
নাম, যশ অৱশ্যে লভিবা।

*(ৰচক - হৰিনাৰায়ণ দত্তবৰুৱা; সংগ্ৰহ — মৰুৱা ফুল, সম্পাদনা-নৰকান্ত বৰুৱা, পৃষ্ঠা-৪৩)*



## আচৰণৰ বিষয়ে জানো আহা



আলহী আদৰিছে



উপহাৰ গ্ৰহণ কৰিছে



ক্ষমা বিচাৰিছে



কিতাপখন খুজিছে



শুভেচ্ছা জনাইছে



সেৱা কৰিছে

☛ *অভিনয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক উল্লিখিত আচৰণৰ অনুশীলন কৰাব।*